# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-10-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৬২ হাজাৰ কোটিৰো অধিক মূল্যৰ যুৱকেন্দ্ৰিক পদক্ষেপ উন্মোচন কৰিব।

২। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কেন্দ্ৰীয় পৰ্যবেক্ষকসকলক ৰাজনৈতিক দল, প্ৰাৰ্থী আৰু ভোটাৰসকলৰ বিভিন্ন অভিযোগৰ সমাধানৰ বাবে সম্পূৰ্ণ ৰূপে সাজু হৈ থাকিবলৈ নিৰ্দেশ দিছে।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি বিহাৰৰ পাটনা ভ্ৰমণ কৰিব।

৪। হামাছে ইজৰাইলৰ বাকী থকা পণবন্দীসকলক মুকলি কৰি দিবলৈ সন্মত হৈছে।

*আৰু*

৫। চলিত প্ৰথমখন টেষ্ট মেছত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতে আজি প্ৰথম ইনিংছত ৫ উইকেটৰ বিনিময়ত কালিলৈকে সংগ্ৰহ কৰা ৪৪৮ ৰাণৰ পৰা তৃতীয় দিনাৰ খেল আৰম্ভ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৬২ হাজাৰ কোটিৰো অধিক মূল্যৰ যুৱকেন্দ্ৰিক পদক্ষেপ উন্মোচন কৰিব। যুৱ দক্ষতাৰ বাবে এটা ঐতিহাসিক পদক্ষেপ হিচাপে প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ দেশতে এহেজাৰ আই টি আই উন্নীতকৰণৰ বাবে পি এম সেঁতু আৰম্ভ কৰিব। শ্ৰীমোদীয়ে বিহাৰৰ বাবে মুখ্যমন্ত্ৰী নিশ্চিত স্বয়ম সহায়তা যোজনাও আৰম্ভ কৰিব। এই যোজনা অনুসৰি স্নাতক যুৱক-যুৱতীসকলক ২ বছৰৰ বাবে মাহিলী এহেজাৰ টকাৰ ভাট্টা প্ৰদান কৰা হ'ব। তেওঁ বিহাৰত জননায়ক কাপুৰী ঠাকুৰ দক্ষতা বিশ্ববিদ্যালয় উদ্বোধন কৰিব। বিহাৰৰ চাৰিখন বিশ্ববিদ্যালয়ৰ  নতুন শৈক্ষিক আৰু গৱেষণামূলক সুবিধাৰ আধাৰশিলা স্থাপন আৰু পাটনা এন আই টিৰ এটা নতুন চৌহদ মুকলি কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে ৩৪ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে নৱোদয় বিদ্যালয় আৰু ঐকলব্য ম'ডেল, আৱাসিক বিদ্যালয়ত ১২০০ দক্ষতা বিকাশ কেন্দ্ৰ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে দক্ষতা দীক্ষান্ত সমাৰোহত আই টি আইৰ শীৰ্ষ স্থান অধিকাৰ কৰা যুৱক-যুৱতীসকলক সম্বৰ্ধনা জনাব।

ooooo

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কেন্দ্ৰীয় পৰ্যবেক্ষকসকলক ৰাজনৈতিক দল, প্ৰাৰ্থী আৰু ভোটাৰসকলৰ বিভিন্ন অভিযোগৰ সমাধানৰ বাবে সম্পূৰ্ণ ৰূপে সাজু হৈ থাকিবলৈ নিৰ্দেশ দিছে। সমাগত বিহাৰৰ বিধানসভাৰ নিৰ্বাচন আৰু কিছুমান ৰাজ্যত হ'বলগীয়া উপ নিৰ্বাচনৰ বাবে নিয়োজিত কেন্দ্ৰীয় পৰ্যবেক্ষকসকলক কয়, যে নিৰ্বাচনী পৰ্যবেক্ষকসকল হ'ল গণতন্ত্ৰৰ মুখ্য স্তম্ভ। তেওঁ পৰ্যবেক্ষকসকলক ভোটকেন্দ্ৰসমূহ পৰিদৰ্শন কৰিবলৈও

নিৰ্দেশ দিয়ে আৰু বিহাৰৰ বাবে আয়োগে শেহতীয়াকৈ গ্ৰহণ কৰা পদক্ষেপসমূহ কাৰ্যকৰী কৰাটো নিশ্চিত কৰা। কেন্দ্ৰীয় পৰ্যবেক্ষকসকলক সকলো নিৰ্বাচনী, আইন, নিয়ম আৰু নিৰ্দেশনাৰ সৈতে পৰিচিত হ'বলৈ কোৱা হৈছিল যাতে সেইবোৰ কঠোৰ আৰু নিৰপেক্ষভাৱে পালন কৰিব পৰা যায়। নতুন দিল্লীত অনুষ্ঠিত এই বৈঠকত ২৮৭ জন ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া আৰু অন্যান্য খণ্ডৰ ৮০ গৰাকী বিষয়া উপস্থিত থাকে। কেন্দ্ৰীয় নিৰ্বাচনী আয়োগে মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাত আয়োগক সহায় কৰিবলৈ কেন্দ্ৰীয় পৰ্যবেক্ষক নিযুক্তি দিয়ে। এই নিৰ্বাচনী পৰ্যবেক্ষকসকলে ক্ষেত্ৰভিত্তিক নিৰ্বাচনী প্ৰক্ৰিয়াৰ ফলপ্ৰসূ পৰিচালনাৰ তদাৰক কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি কয়, যে দেশৰ প্ৰতিৰক্ষা ৰপ্তানিয়ে বৰ্তমানৰ ২৪ হাজাৰ কোটি টকাৰ পৰা ২০২৯ চনৰ ভিতৰত ৫০ হাজাৰ কোটি টকা স্পৰ্শ কৰিব। তেওঁ কয়, যে ১১ বছৰ পূৰ্বে ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানি মাত্ৰ ৬০০ কোটি টকা আছিল। ভাৰত অচিৰেই বিশ্বৰ প্ৰতিৰক্ষা কাৰখানাত পৰিণত হ'বলৈ অগ্ৰসৰ হৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কালি হায়দৰাবাদত তিনিদিনীয়া জৈন আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সংস্থা- জিটো কানেক্ট প্ৰদৰ্শনী মুকলি কৰে। অনুষ্ঠানত কেন্দ্ৰীয় কয়লা আৰু খনিমন্ত্ৰী জি. কিষাণ ৰেড্ডীও উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি শ্ৰীসিঙে কয়, যে প্ৰতিৰক্ষা খণ্ডকে ধৰি আন সকলো খণ্ডই স্বাৱলম্বিতা অৰ্জনৰ লক্ষ্যৰে আত্মনিৰ্ভৰ ভাৰত হোৱাৰ দিশত আগবাঢ়িছে। তেওঁ কয়, যে মেক ইন ইণ্ডিয়া কাৰ্যসূচীৰ জৰিয়তে প্ৰতিৰক্ষা ব্যৱস্থাত থলুৱা সামগ্ৰী ব্যৱহাৰ কৰা সম্ভৱ হৈছে আৰু তেজছ লাইট কম্বেট এয়াৰক্ৰাফ্টৰ ৬৪ শতাংশই ভাৰতত নিৰ্মিত। ২০৩০ চনৰ ভিতৰত দেশ বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হ'বলৈ অগ্ৰসৰ হোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে ভাৰতে মেক ইন ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত পুতলাৰ পৰা আৰম্ভ কৰি টেংকলৈকে সকলো সামগ্ৰী নিজস্বভাৱে উৎপাদন কৰি আহিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সুবিধাৰ অৰ্থে যোৱা ২২ ছেপ্তেম্বৰত জি এছ টি সঞ্চয় উৎসৱৰ ঘোষণা কৰে। পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে দেশৰ পৰোক্ষ কৰ ব্যৱস্থা সৰল কৰি তুলিছে। এই সংস্কাৰে বিভিন্ন সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত প্ৰদান কৰিবলগীয়া কৰৰ হাৰ হ্ৰাস কৰি জনসাধাৰণক সকাহ প্ৰদান কৰিছে। আজি আমি চামৰাৰ পৰা প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীৰ লগতে জোতা, চেণ্ডেল আদিৰ ক্ষেত্ৰত হ্ৰাস পোৱা জি এছ টি সন্দৰ্ভত আলোকপাত কৰিছো–

জনসাধাৰণৰ আৰ্থিক বোজা হ্ৰাস কৰিবলৈও চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰ জৰিয়তে চৰকাৰে চামৰাৰ পৰা উৎপাদিত বিভিন্ন সামগ্ৰী আৰু জোতা, চেণ্ডেলৰ ক্ষেত্ৰত পূৰ্বৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ জি এছ টি হ্ৰাস কৰিছে। জি এছ টি টু পইণ্ট অ'ৰ অধীনত দুহেজাৰ ৫০০ টকা পৰ্যন্ত মূল্যৰ জোতা, চেণ্ডেলৰ ক্ষেত্ৰত ৫ শতাংশলৈ জি এছ টি ৰেহাই দি গ্ৰাহকক সকাহ প্ৰদান কৰিছে। ইয়াৰোপৰি চামৰাৰ পৰা উৎপাদিত বিভিন্ন সামগ্ৰীৰ ক্ষেত্ৰত জি এছ টি পূৰ্বৰ ১২ শতাংশৰ পৰা বৰ্তমান ৫ শতাংশলৈ হ্ৰাস কৰিছে। জি এছ টি ৰেহাইৰ ফলত গ্ৰাহকসকলৰ লগতে এইসমূহৰ সৈতে জড়িত যুৱ উদ্যামীসকলেও সকাহ লাভ কৰিব।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি বিহাৰৰ পাটনা ভ্ৰমণ কৰিব। এই ভ্ৰমণ কালত মন্ত্ৰী চৌহানে বিহাৰৰ ৰাজধানী চহৰখনত অনুষ্ঠিত মাখনা মহোৎসৱত ভাগ লোৱাৰ লগতে ৰবি কৰ্মশালা তথা কৃষি পৰামৰ্শ আলোচনাত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানসমূহত কৃষক আৰু বিভিন্ন কৃষি সংস্থাৰ উপস্থিতিও দেখা পোৱা যাব।

০০০০০

হামাছে ইজৰাইলৰ বাকী থকা পণবন্দীসকলক মুকলি কৰি দিবলৈ সন্মত হৈছে। তথাপিও তেওঁলোকে আমেৰিকাৰ শান্তি প্ৰস্তাৱত উল্লেখ কৰা কেইবাটাও বিষয়ৰ ওপৰত অধিক আলোচনা হোৱাটো বিচাৰিছে। সংগঠনটোৱে এটা বিবৃতিত কয়, যে যদিহে সকলো বোৰ চৰ্ত পূৰণ হয় তেন্তে ৰাষ্ট্ৰপতি ট্ৰাম্পৰ প্ৰস্তাৱত থকা বিনিময় সূত্ৰ অনুসৰি জীৱিত বা মৃত সকলো ইজৰাইলী পণবন্দীক মুকলি কৰি দিয়া হ'ব। হামাছে গাজাৰ ভৱিষ্যৎ আৰু পেলেস্তাইনীসকলৰ অধিকাৰ সম্পৰ্কীয় অন্যান্য বিষয়সমূহৰ ওপৰত অধিক আলোচনা হোৱাটো বিচাৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে পণবন্দীসকলক নিৰাপদে উলিয়াই অনাৰ স্বাৰ্থক ইজৰাইলক তৎকালীনভাৱে গাজাত আৰু বোমা বিস্ফোৰণ নকৰিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে, হামাছ নামৰ সসংগঠনটোৱে পেলেস্তাইনৰ ভূখণ্ডত এতিয়াও ৪৮ গৰাকী পণবন্দী অনুমান কৰা হৈছে আৰু ইয়াৰে মাত্ৰ ২০ গৰাকীহে জীয়াই থকা বুলি ধাৰণ কৰা হৈছে।

০০০০০

বায়ুসেনাৰ মুৰব্বী অমৰপ্ৰীত সিঙৰ কৃত্ৰিম বুদ্ধিমত্তা সম্বলিত বহুল প্ৰচাৰিত এটা ভিডিঅ' ভুৱা বুলি চৰকাৰে দাবী কৰিছে। প্ৰেছ ইনফ'ৰমেছন ব্যুৰ'ৰ সত্য পৰীক্ষণ গোটে কয়, যে বায়ুসেনাৰ মুৰব্বীগৰাকীৰ নামত ওলোৱা ভিডিঅ'টো ভুৱা আৰু এয়া প্ৰযুক্তিৰ সহায়ত প্ৰস্তুত কৰা হৈছে। বায়ুসেনাৰ মুৰব্বীগৰাকীয়ে ভিডিঅ'টোত প্ৰকাশ পোৱা ধৰণৰ কোনো মন্তব্য কৰা নাই। কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে প্ৰস্তুত কৰা এনে ভিডিঅ'ৰে দুষ্ট চক্ৰই মানুহক অস্থিৰ কৰাৰ লগতে বিপথে পৰিচালিত কৰিবলৈ চেষ্টা চলোৱা বুলিও প্ৰেছ ইনফ'ৰমেছন ব্যুৰ'ৰ সূত্ৰই প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বৰ্ষৰ বাবে মিজোৰামৰ গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে পঞ্চদশ বিত্ত আয়োগৰ অধীনত ১৪ কোটি ৪০ লাখ টকাৰ দ্বিতীয় কিস্তিৰ অনুদান মুকলি কৰিছে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে জনোৱা মতে, এই অনুদানৰ জৰিয়তে ৰাজ্যখনৰ ৮০৮ খন যোগ্য গাঁও পৰিষদৰ সকলো উপকৃত হ'ব। এই অনুদানসমূহ ঘৰুৱা আৱৰ্জনা ব্যৱস্থাপনা আৰু পৰিশোধন, খোৱাপানীৰ যোগান আৰু বৰষুণৰ পানী সংগ্ৰহকে ধৰি অনাময় আৰু অ'ডিএফৰ মৰ্যাদা ৰক্ষাৰ সৈতে জড়িত মৌলিক সেৱাসমূহৰ বাবে ব্যৱহাৰ কৰা হ'ব।

০০০০০

ভাৰতীয় ভাৰোত্তোলক মীৰাবাঈ চানুৱে নৰৱেত চলি থকা বিশ্ব ভাৰোত্তোলন চেম্পিয়নশ্বিপ ২০২৫ত ৰূপৰ পদক অৰ্জন কৰিছে। ৪৮ কিলোগ্ৰাম ওজন শাখাত অংশগ্ৰহণ কৰা চানুৱে মুঠ ১৯৯ কিলোগ্ৰাম ভাৰ উত্তোলন কৰি নতুন ৰাষ্ট্ৰীয় অভিলেখ স্থাপন কৰে। উত্তৰ কোৰিয়াৰ ৰী চং গামে এই শাখাত তিনিটা সোণৰ পদক অৰ্জন কৰি প্ৰতিযোগিতাখনত আধিপত্য বিস্তাৰ কৰে।

০০০০০০

আহমেদাবাদত চলিত প্ৰথমখন টেষ্ট মেচত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতে আজি প্ৰথম ইনিংছত পাঁচটা উইকেটৰ বিনিময়ত কালিলৈকে সংগ্ৰহ কৰা ৪৪৮ ৰাণৰ পৰা তৃতীয় দিনাৰ খেল আৰম্ভ কৰিব।

বৰ্তমান ক্ৰিজত ৱাশ্বিংটন সুন্দৰ ৯ ৰান আৰু ৰবীন্দ্ৰ জাদেজাই ১০৪ ৰান কৰি অপৰাজিত হৈ আছে। ভাৰতৰ হৈ কে এল ৰাহুলে ১০০ আৰু ধ্ৰুৱ জুৰেলে ১২৫ ৰান কৰি আউট হয়। উল্লেখযোগ্য যে, কে এল ৰাহুলৰ এয়া হৈছে তেওঁৰ কেৰিয়াৰৰ একাদশ শতক। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে বৃহস্পতিবাৰে প্ৰথম ইনিংছত ১৬২ ৰান কৰি অল আউট হয়।

০০০০০

**সমাপ্ত**